# অথলে যাব নেকি মহাকাশ গৱেষণা?

- শ্বাহিনশ্বাহ ইকবাল, দশম শ্ৰেণী লক্ষীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, লক্ষীপুৰ

📚 time to read: 4 minutes

"মহাকাশ বিজ্ঞানীসকলে চন্দ্ৰত গৈছে, মংগল গ্ৰহত বসতি স্থাপন কৰাৰ প্ৰয়াস কৰি আছে, সূৰ্যত যান পঠাইছে, প্ৰেৰণ কৰা মহাকাশ যান সৌৰজগতৰ সীমা চেৰাই গৈছে, এইবোৰৰ বাবে বহু খিনি অৰ্থ আৰু সময় ব্যয় কৰিছে- এইবোৰৰ প্ৰয়োজন কি ? এই সময় আৰু অৰ্থ মহাকাশ গৱেষণাত ব্যয় নকৰি পৃথিৱীত ব্যয় কৰিলে ইমান দিনে হয়তো পৃথিৱীখন দ্বিতীয় অমৰাৱতীলৈ পৰিণত হ'লহেঁতেন । যি ঠাইত পৃথিৱীতেই বহুত বস্তু উদঘাটন কৰা বাকী, সেই ঠাইত আকৌ কোটি কোটি আলোকবৰ্ষ দূৰত অৱস্থিত গ্ৰহ-নক্ষত্ৰক লৈ আমি ইমান ব্যস্ত হোৱাৰ প্ৰয়োজন কি ?"- বহুতৰে মনত এনেধৰণৰ প্ৰশ্নৰ উদয় হব পাৰে বা বহুতৰে মনত হয় ।

অতীজৰে পৰাই মানুহৰ কৌতূহলী মনে বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে জানিবলৈ প্ৰয়াস কৰি আহিছে । ই মানুহৰ এক প্ৰৱণতা । বৰ্তমান সময়ৰ মহাকাশ গৱেষণা, দূৰ গ্ৰহলৈ অভিযান আদি হৈছে মানুহৰ কৌতূহলী মনত পঞ্জীভূত সেই প্ৰৱণতাৰ এক বহিঃপ্ৰকাশ । কিন্তু এতিয়া মহাকাশ গৱেষণা কেৱল মানুহৰ কৌতূহল বা প্ৰৱণতা হৈ থকা নাই । ইয়াৰ লগত জড়িত হৈ আছে মানৱজাতিৰ ভৱিষ্যৎ । আগতে মানৱ সমাজত বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে কিছুমান ভ্ৰান্ত বিশ্বাস প্ৰচলিত আছিল । সেইবোৰৰ ভিতৰত এটা- সূৰ্যৰ সৈতে অন্যান্য গ্ৰহবোৰ পৃথিৱীৰ চাৰিওফালে ঘূৰি আছে । কিন্তু মহাকাশ গৱেষণা, মহাকাশীয় অভিযান আদিৰ ফলত আমাৰ মাজত থকা সেই ভ্ৰান্ত বিশ্বাসটো নাইকিয়া হৈ সত্যটোৰ উন্মোচন হৈছে- পৃথিৱীৰ চাৰিওফালে নহয়, সূৰ্যৰ চাৰিওফালে পৃথিৱীৰ সৈতে অন্যান্য গ্ৰহবোৰ প্ৰদক্ষিণ কৰি আছে । বিজ্ঞানে সদায় প্ৰকৃতিৰ গুপ্ত ৰহস্য ভেদি সত্যৰ উন্মোচন কৰে । সেইদৰে মহাকাশ বিজ্ঞানে আমাৰ মাজত বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে সত্য বিলায় । যি ঠাইত বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিনিয়ত দুৰ্বাৰ গতিত আগবাঢ়ি আছে, সেই ঠাইত আমি মানসিকভাৱে পিছপৰি থকাটো আমাৰ কাম্য নহয় ।

মহাকাশ গৱেষণাৰ এক অন্যতম উদ্দেশ্য হৈছে মানৱজাতিক ৰক্ষা কৰা । গৱেষণাৰ তথ্যমতে, যিকোনো সময়ত কোনো বৃহৎ গ্ৰহাণুৱে পৃথিৱীক খুন্দা মাৰিব পাৰে বা আন কোনো প্ৰাকৃতিক নাইবা মানৱসৃষ্ট কাৰণত পৃথিৱী জীৱৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰিব পাৰে । ফলত এটা সময়ত মানৱ জাতিটো পৃথিৱীৰ বুকুৰ পৰা বিলুপ্ত হৈ যোৱাটো কোনো অস্বাভাৱিক ঘটনা নহব । ইতিমধ্যে পৃথিৱীৰ বুকুৰ পৰা বহুকেইটা প্ৰজাতি বিলুপ্ত হৈ গৈছে । সেইবাবে, মহাকাশ বিজ্ঞানীসকলে অন্য গ্ৰহৰ সন্ধানত অভিযান চলাই আছে, যি জীৱৰ বসবাসৰ বাবে উপযোগী । "এটা সময়ত পৃথিৱী জীৱৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰিব । গতিকে মানৱ জাতিটো সোনকালেই বিশ্বব্ৰহ্মাণ্ডত সিঁচৰিত হৈ পৰা উচিত ।"- ষ্টিফেন হকিঙৰ ভাষ্য ।

আমাৰ পৃথিৱীৰ চাৰিওফালে বহুকেইটা মানৱনিৰ্মিত উপগ্ৰহ সৰ্বক্ষণ প্ৰদক্ষিণ কৰি আছে আৰু সেই উপগ্ৰহসমূহৰ প্ৰেৰিত তথ্যৰ পৰা পৃথিৱীৰ বায়ুমণ্ডল আৰু ইয়াৰ পৰিৱৰ্তন সম্পৰ্কে জনাটো সহজসাধ্য হৈ পৰিছে । সেইসমূহ তথ্যৰ পৰা জলবায়ু, বতৰ, প্ৰাকৃতিক বিপৰ্যয় আদি সম্পৰ্কে অধিক স্পষ্ট ভৱিষ্যৎ বাণী কৰিবলৈ মহাকাশ বিজ্ঞানীসকলে প্ৰচেষ্টা চলাই আছে । মহাকাশ বিজ্ঞানীসকলৰ এটা কাম হ'ল জলবায়ুৰ পৰিৱৰ্তনৰ ওপৰত চকু ৰখা আৰু আমাক সতৰ্ক কৰি দিয়া । বৰ্তমান সময়ত গোলকীয় উষ্ণতা বৃদ্ধিৰ কথাটো মহাকাশ গৱেষণাৰ ফলতেই আমাৰ অৱগত আৰু নিজে সতৰ্ক হোৱাৰ লগতে আনকো সতৰ্ক কৰিব পাৰিছো

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতিৰ লগে লগে যাতায়াত আৰু যোগাযোগ ব্যৱস্থা অভাৱনীয়ভাৱে উন্নত হৈছে । আধুনিক যুগত যাতায়াতৰ ক্ষেত্ৰত আকাশী পথটোকে অধিক গুৰুত্ব দিয়া হৈছে । এই আকাশীপথ মহাকাশ গৱেষণাৰ আঁত ধৰিয়েই ৰচনা কৰা হৈছে । আকাশীযান সমূহ উৰণৰ সময়ত নিখুঁতভাৱে দিশ নিৰ্ণয়, সংঘৰ্ষৰ পৰা হাত সাৰিবলৈ পৃথিৱীৰ চাৰিওফালে ঘূৰি থকা মানৱ নিৰ্মিত উপগ্ৰহসমূহৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে । তদুপৰি, মহাকাশ গৱেষণাৰ ফলতেই বৰ্তমান সময়ত সৰ্বাধিক জনপ্ৰিয় যোগাযোগ ব্যৱস্থা ইণ্টাৰনেট ব্যৱহাৰ কৰাটো সম্ভৱ হৈছে । এইবোৰৰ উপৰি, মহাকাশত মানৱনিৰ্মিত স্পেচ ষ্টেচনত থকা গৱেষকসকলৰ শাৰীৰিক পৰিৱৰ্তন, শূন্য মহাকৰ্ষণত শৰীৰৰ প্ৰতিক্ৰিয়া আদিৰ পৰা মানৱদেহ সম্পৰ্কে অধিক ধাৰণা পোৱা যায়, যি চিকিৎসা বিজ্ঞানক অধিক অগ্ৰসৰ হোৱাত সহায় কৰে । মহাকাশ গৱেষণাৰ আঁত ধৰিয়েই সৌৰশক্তিৰ ব্যৱহাৰৰ প্ৰচলন ঘটিছে । আমি জানো যে, উন্নত প্ৰযুক্তি নিৰ্ভৰ কৰে নিৰৱচ্ছিন্নভাৱে শক্তিৰ যোগানৰ ওপৰত । মহাকাশ গৱেষণাৰ ফলতেই হয়তো ভৱিষ্যতত অধিক পৰিমাণে সৌৰশক্তি আহৰণ কৰাৰ উন্নত তথা কাৰ্যকৰী কৌশল আৱিস্কাৰ হ'ব, যিয়ে পৃথিৱীত থকা জীৱাশ্ম ইন্ধনসমূহৰ ব্যৱহাৰ কমিব ।

ইতিমধ্যে মংগল গ্ৰহত বসতি স্থাপনৰ প্ৰচেষ্টা চলি আছে । দুৰ্বাৰ গতিত আগবঢ়া বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত কৰা মহাকাশ গৱেষণাৰ ন ন আৱিষ্কাৰ কৰিব, যাৰ সহায়ত মানৱ জাতি মহাকাশত সিঁচৰিত হৈ পৰিব আৰু মানৱজাতিটো বিলুপ্তিৰ গৰ্ভত লীন যোৱাৰ পৰা ৰক্ষা পাব ।